প্ৰেছ বাৰ্তা

পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগ

# এমজিএনৰেগাৰ মজুৰি প্ৰদানত খেলি-মেলি

# ৫ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীক বৰ্খাস্ত

**গুৱাহাটী ২০ মে'ঃ** পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ জৰিয়তে ৰূপায়িত হৈ থকা মহাত্মাগান্ধী ৰাষ্ট্ৰীয় গ্ৰাম্য নিয়োগ নিশ্চিত আঁচনি (এমজিএনৰেগা)ৰ অধীনৰ মজুৰি প্ৰদানত কৰা খেলি-মেলিৰ বাবে ডিব্ৰুগড় জিলাৰ বিভিন্ন গাঁও পঞ্চায়তত কৰ্মৰত ৫ গৰাকী ঠিকাভিত্তিক কৰ্মচাৰীক ১৫ মে'ৰ পৰা বলবৎ হোৱাকৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰা হৈছে।

কৰ্মচাৰীকেইগৰাকী হ'ল—জয়পুৰ উন্নয়ন খণ্ডৰ অন্তৰ্গত মেৰিবিল, দিঘলীয়া আৰু বৰবাম গাঁও পঞ্চায়তত কৰ্মৰত কম্পিউটাৰ সহায়ক ৰাণু ছেত্ৰী, একেটা উন্নয়ন খণ্ডৰে ধদুমিয়া গাঁও পঞ্চায়তৰ কম্পিউটাৰ সহায়ক দিপীকা গগৈ, পানীতোলা উন্নয়ন খণ্ডৰ ৰংচঙী গাঁও পঞ্চায়তৰ কম্পিউটাৰ সহায়ক মিনাক্ষী বুঢ়াগোঁহাই আৰুপানীতোলা উন্নয়ন খণ্ডৰে বালিজান গাঁও পঞ্চায়তৰ গ্ৰাম ৰোজগাৰ সহায়ক আৰু একাউণ্ট এছিছ্‌টেণ্ট ক্ৰমে প্ৰফুল্ল চেতিয়া আৰু অনিল বৰুৱা।

উল্লেখযোগ্য যে এই আটাইকেইগৰাকী কৰ্মচাৰীয়ে উল্লেখিত গাঁও পঞ্চায়ত কেইখনৰ কেইবাখনো জব কাৰ্ডৰ অধীনত আদায় দিব লগা মজুৰি একেটা একাউণ্টত প্ৰদান কৰি বিত্তীয় খেলি-মেলি সংঘটিত কৰিছিল। NREGA Soft ত এই সম্পৰ্কে বিসংগতি ধৰা পৰাত বিষয়টো সন্দৰ্ভত বিভাগীয়ভাৱে তদন্ত কৰা হয় আৰু এই বিত্তীয় খেলি-মেলিৰ কথা পোহৰলৈ আহে। এই তদন্তৰ প্ৰতিবেদনৰ ভিত্তিত পাঁচোগৰাকী ঠিকাভিত্তিক কৰ্মচাৰীকে বৰ্খাস্ত কৰা হয়।

*এমআৰডি/২০-০৫-২০২০*